# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-12-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
***HEADLINES***

১। নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱ আৰম্ভ। দেশৰ অৰ্থনৈতিক বিকাশত উত্তৰ-পূৰ্বৰ শক্তিশালী ভূমিকা পালন কৰাৰ সামৰ্থ আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্য।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নতুন দিল্লীত সৌজন্যমূলক সাক্ষাৎ। এডভাণ্টেজ আচাম দ্বিতীয় সংস্কৰণ সন্দৰ্ভত কেন্দ্ৰীয় বিত্তমন্ত্ৰীৰে আলোচনা।

৩। পৰিবেশ আৰু বন্য প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে ৫ গৰাকী ব্যক্তিলৈ ২০২৪ বৰ্ষৰ পৰিবেশ মিত্ৰ সন্মান।

৪। ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ শিতানত মাজুলীৰ জেংৰাই পঞ্চায়তলৈ শ্ৰেষ্ঠত্বৰ সন্মান। নগাওঁৰ বেবেজীয়া ডিমৌ বাংঠাই পঞ্চায়তৰ দ্বিতীয় স্থান লাভ। ***আৰু***

৫। এডেলেইদত অনুষ্ঠিত দ্বিতীয় টেষ্টৰ প্ৰথম দিনা ভাৰতৰ প্ৰথম ইনিংছৰ ১৮০ ৰাণৰ প্ৰত্যুত্তৰত দিনান্তত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত এক উইকেটৰ বিনিময়ত ৮৬ ৰাণ সংগ্ৰহ।

০০০০

দেশৰ অৰ্থনৈতিক বিকাশত উত্তৰ পূৰে শক্তিশালী ভূমিকা পালন কৰাৰ সামৰ্থ আছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অষ্টলক্ষ্মী মহোৎসৱত মন্তব্য কৰে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অষ্টলক্ষ্মী মহোৎসৱ উদ্বোধন কৰি প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে লগতে কয় যে উত্তৰ পূৰৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে কাম কৰি যাব। অষ্টলক্ষ্মী মহোৎসৱৰ তিনিওটা দিন দিল্লী উত্তৰ পূৰময় হৈ থাকিব বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে অষ্টলক্ষ্মী মহোৎসৱে উত্তৰ-পূৰৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত নতুন যুগৰ সূচনা কৰিব। উত্তৰ পূৰক অষ্টলক্ষ্মী আখ্যা দি অঞ্চলটোৰ বৈচিত্ৰ আৰু সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে উল্লেখ কৰে। জৈৱিক কৃষিৰ বাবে উত্তৰ-পূৰৰ ভূমি উৰ্বৰা বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

উল্লেখযোগ্য যে, আজিৰ উদ্বোধনী অনুষ্ঠানত ডোনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ লগতে উত্তৰ-পূৰৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থাকে। ৩ দিন ধৰি চলিবলগীয়া এই মহোৎসৱত উত্তৰ-পূৰৰ আটাইকেইখন ৰাজ্যৰ উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শন কৰা হ'ব।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সৌজন্যমূলক সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীগৰাকীয়ে এডভাণ্টেজ আচাম ২০২৫ ৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী সীতাৰমণক আমন্ত্ৰণ জনায়। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকো সৌজন্যমূলক সাক্ষাৎ কৰাৰ লগতে এডভাণ্টেজ আচামলৈ আনুষ্ঠানিক আমন্ত্ৰণ জনায়। তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যৰ উন্নয়ন সন্দৰ্ভত গ্ৰহণ কৰা আঁচনিৰো পৰ্যালোচনা কৰে।

০০০০

ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগে পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়োৱা ৫ গৰাকী ব্যক্তিলৈ ২০২৪ বৰ্ষৰ পৰিৱেশ মিত্ৰ সন্মান আগবঢ়াইছে। কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা বিশ্ব প্ৰকৃতি নিধি ভাৰতৰ প্ৰতিষ্ঠাপক সদস্য সচিব ড০ অনিল কুমাৰ গোস্বামীলৈ পৰিৱেশ সংৰক্ষণ আৰু ৰাজ্যত এই সম্পৰ্কীয় শিক্ষাৰ প্ৰসাৰৰ বাবে এই সন্মান আগবঢ়োৱা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক তথা বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড০ দুলাল চন্দ্ৰ গোস্বামীক নদী আৰু জলাশয় সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা আৱদানৰ বাবে **পৰিৱেশ মিত্ৰ** সন্মান আগবঢ়োৱা হৈছে। একেদৰে ওদালগুৰিৰ পৰিৱেশবিদ তথা সংৰক্ষণ কৰ্মী জয়ন্ত কুমাৰ দাসলৈ বন্যপ্ৰাণী আৰু প্ৰকৃতি সংৰক্ষণৰ বাবে আৰু উত্তৰ-পূৰ্বাঞ্চল খণ্ডৰ পাৰম্পৰিক ব্যৱস্থা তথা থলুৱা জ্ঞান পদ্ধতিৰে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত নিৰন্তৰ সেৱা আগবঢ়োৱা জয়ন্ত কুমাৰ শৰ্মালৈ এই বঁটা আগবঢ়োৱা হৈছে। তদুপৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ তথা পৰিৱেশ সাংবাদিকতাৰ বাবে বিশিষ্ট পৰিৱেশবিদ বোকাখাটৰ উত্তম শইকীয়ালৈ পৰিৱেশ মিত্ৰ সন্মান আগবঢ়োৱা হৈছে।

০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত জলসম্পদ বিভাগৰ অধীনত ৰূপায়ণ কৰা বহুকেইটা কাৰ্যসূচী পৰিদৰ্শন কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধী কামকাজৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে তিনিচুকীয়া জিলাৰ ফেলাই গাঁৱত ব্ৰহ্মপুত্ৰৰ সোঁতে ছিঙি নিয়া মথাউৰীৰ পুনৰ নিৰ্মিত প্ৰায় দুই কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিছোৱা পৰিদৰ্শন কৰে। তেওঁ লগতে জিলাখনৰ বৰগুড়ি তিনি আলিত নিৰ্মাণৰত জলসম্পদ বিভাগৰ তিনিচুকীয়া সংমণ্ডৰ কাৰ্যালয়ৰ কাম পৰিদৰ্শন কৰি আন্তঃগাঁথনিৰ বুজ লয়। শ্ৰী হাজৰিকাই শদিয়াৰ চপাখোৱাত কুণ্ডিল নৈৰ সমীপত জলাশয় নিৰ্মাণৰ বাবে চিহ্নিত ক্ষেত্ৰও পৰিদৰ্শন কৰে। বিধায়ক বলিন চেতিয়া, মৰাণ স্বয়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণকে ধৰি জলসম্পদ বিভাগৰ কেইবাগৰাকী মুখ্য অভিযন্তাই আজি মন্ত্ৰীগৰাকীক সংগ দিয়ে।

ইয়াৰ আগতে মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাত জলসম্পদ বিভাগৰ কামকাজ পৰ্যালোচনা কৰে। শ্ৰী হাজৰিকাই পাছত সাংবাদিকক কয়, যে জিলাখনত বান আৰু খহনীয়াৰ সমস্যাৰ স্থায়ী সমাধানৰ বাবে ইতিমধ্যে বহুখিনি কাম সম্পূৰ্ণ কৰা হৈছে আৰু জলাশয় সৃষ্টি কৰি পানী সংৰক্ষণ কৰিব পাৰি নেকি এই বিষয়েও চিন্তা-চৰ্চা কৰা হৈছে।

০০০০

ৰাজ্যৰ দুখন গাঁও পঞ্চায়তে অলপতে ঘোষণা কৰা ৰাষ্ট্ৰীয় পঞ্চায়ত বঁটাৰ দুটা শিতানত শ্ৰেষ্ঠত্বৰ বঁটা লাভ কৰিছে। দীনদয়াল উপাধ্যায় পঞ্চায়ত সতত বিকাশ পুৰস্কাৰৰ ৯টা মূল বিষয়বস্তুৰে সমৃদ্ধ শিশু অনুকূল পঞ্চায়ত শিতানত মাজুলী জিলাৰ উজনী মাজুলী উন্নয়ন খণ্ডৰ অন্তৰ্গত জেঙৰাই পঞ্চায়তে প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। নানাজী দেশমুখ সৰ্বোত্তম পঞ্চায়ত সতত বিকাশ পুৰস্কাৰৰ অধীনৰ শ্ৰেষ্ঠ গাঁও পঞ্চায়ত শিতানত নগাঁও জিলাৰ খাগৰিজান উন্নয়ন খণ্ডৰ অন্তৰ্গত বেবেজীয়া ডিমৌ বাংথাই গাঁও পঞ্চায়তে দ্বিতীয় পুৰস্কাৰ লাভ কৰিছে। অহা ১১ ডিচেম্বৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত হ'বলগীয়া এটা অনুষ্ঠানত কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰীৰ উপস্থিতিত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটাসমূহ প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ পঞ্চায়ত বিভাগৰ শীৰ্ষ বিষয়াসকলৰ লগতে বঁটা লাভ কৰা দুয়োখন পঞ্চায়তৰ প্ৰতিনিধি উপস্থিত থাকিব। ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এই বঁটা লাভ কৰাৰ বাবে পঞ্চায়ত দুখনৰ লগতে বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক অভিনন্দন জনায়। মন্ত্ৰীগৰাকীয়ে এই বঁটাই ৰাজ্যৰ গ্ৰামাঞ্চল তথা তৃণমূল পৰ্যায়ৰ বিকাশৰ ধাৰাক প্ৰতিফলিত কৰিছে বুলি মন্তব্য কৰে।

০০০০

গুৱাহাটীৰ কৰ ভৱনত আজি ছেমি কণ্ডাক্টৰ সন্মিলন অনুষ্ঠিত হয়। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে অনুষ্ঠিত এই সন্মিলনত দেশ-বিদেশৰ ছেমি কণ্ডাক্টৰ নিৰ্মাণকাৰী সংস্থাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। এই সন্মিলনত ৰাজ্যৰ ছেমি কণ্ডাক্টৰৰ ক্ষেত্ৰত কৰিবলগা বিভিন্ন ক্ষেত্ৰৰ কামৰ বিষয়ে পৰ্যালোচনা কৰা হয়। অনুষ্ঠানত উদ্যোগ বিভাগৰ মন্ত্ৰী বিমল বৰা, মুখ্য সচিব ৰবি কোটা আৰু টাটা গ্ৰুপৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ৰাজ্য চৰকাৰৰ বিষয়ববীয়াসকলে জাপান, মালয়েছিয়া, কোৰিয়া আদি দেশৰ ৩৮টা ছেমি কণ্ডাক্টৰ নিৰ্মাণকাৰী সংস্থাসমূহৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰী বৰাই দেশ-বিদেশৰ বিনিয়োগৰাকীসকলক অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনায়।

০০০০

বিদ্যুৎ খণ্ডক ব্যক্তিগতকৰণৰ প্ৰস্তাৱৰ বিৰুদ্ধে আজি দেশৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিদ্যুৎ কৰ্মচাৰী আৰু অভিযন্তাৰ ৰাষ্ট্ৰীয় সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত গুৱাহাটীৰ বিজুলী ভৱনত কৰ্মচাৰীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি সমন্বয়ৰক্ষী সমিতিৰ যুটীয়াভাৱে দীপক কুমাৰ সাহা, প্ৰমোদ চন্দ্ৰ দাস আৰু অমিত কৰৰ লগতে বহুকেইজন নেতাই ব্যক্তিগতকৰণৰ প্ৰক্ৰিয়া বন্ধ কৰিবলৈ চৰকাৰলৈ আহ্বান জনায়। গোলাঘাট শক্তি বিতৰণ কোম্পানীৰ সহকাৰী মহা প্ৰবন্ধকৰ কাৰ্যালয়ৰ সন্মুখতো আজি বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিদ্যুৎ কৰ্মচাৰী আৰু অভিযন্তাসকলে দুঘণ্টীয়া বিক্ষোভ কাৰ্যসূচীত অংশ লৈ ব্যক্তিগতকৰণৰ প্ৰস্তাৱৰ বিৰোধিতা কৰে। বঙাইগাওঁ, বিলাসীপাৰা আৰু মঙলদৈকে ধৰি ৰাজ্যখনৰ আন ভালেমান অঞ্চলতো আজি বিদ্যুৎ খণ্ডৰ ব্যক্তিগতকৰণৰ বিৰুদ্ধে বিক্ষোভ কাৰ্যসূচী পালন কৰাৰ বাতৰি আমালৈ আহিছে।

০০০০

পৰহিলৈ হবলগীয়া উপ-ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক দিৱস সন্দৰ্ভত আজি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সভাকক্ষত জিলা টাস্ক ফোৰ্চৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত সভাপতিত্ব কৰি জিলা আয়ুক্ত

সুমিত ছাত্তাৱানে সকলোকে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ নিৰ্দেশ দিয়ে। পলিঅ' প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত ৫ বছৰৰ অনুৰ্ধৰ কোনো শিশু যাতে বাদ পৰি নাযায়, তাৰ প্ৰতি সুক্ষ্ম দৃষ্টি ৰাখিবলৈ সংশ্লিষ্ট বিষয়া কৰ্মচাৰীসকলক  আহ্বান জনায়। জিলা স্বাস্থ্য বিভাগে ইতিমধ্যে এই অভিযান সফল কৰিবলৈ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উল্লেখযোগ্য যে, কামৰূপ মহানগৰ জিলাত এইবাৰ ২ লাখ ১০ হাজাৰ ৪৫৩ টি শিশুক পলিঅ' প্ৰতিষেধক সেৱন কৰোৱা হব। ইয়াৰ বাবে  স্বাস্থ্য বিভাগে জিলাখনত ৯৭১ টা পলিঅ' বুথৰ ব্যৱস্থা কৰিছে। এই বুথত ৩ হাজাৰ ৫৬০ গৰাকী বুথকৰ্মী নিয়োগ কৰা হৈছে। আনহাতে,  বাদ পৰি যোৱা শিশুসকলক অহা ৯ ডিচেম্বৰৰ পৰা ১১ ডিচেম্বৰলৈ ঘৰে ঘৰে  গৈ পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব।

০০০০

শংকৰদেৱ শিক্ষা আৰু গৱেষণা ন্যাসৰ উদ্যোগত অহা ১৩ ডিচেম্বৰৰ পৰা তিনি দিনীয়াকৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত প্ৰাগজ্যোতিষপুৰ সাহিত্য উৎসৱৰ আয়োজন কৰা হৈছে।  গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত আজি ন্যাসৰ সভাপতি ৰাণা প্ৰতাপ কলিতাই এই কথা প্ৰকাশ কৰে। এই সাহিত্য উৎসৱত আলোচনা চক্ৰ, লেখক-সাহিত্যৰ অনুষ্ঠান, কৰ্মশালা, প্ৰদৰ্শনী, গ্ৰন্থ উন্মোচন, বহুভাষিক কবি সন্মিলন আৰু সাংস্কৃতিক অনুষ্ঠানকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত অসম মহিলা বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক মালিনী গোস্বামী, স্তম্ভ লেখক তথা উচ্চতম ন্যায়ালয়ৰ অধিবক্তা জে সাই দীপককে ধৰি বহু কেইগৰাকী ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি ন্যাসৰ সভাপতিগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে চাহ বাগিচা অঞ্চলৰ বিদ্যালয়ৰ সময়সূচী কিছু সালসলনি কৰিছে। এই সন্দৰ্ভত  বিদ্যালয় শিক্ষা বিভাগৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি চাহ বাগিচা অঞ্চলৰ নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰিৱৰ্তে চাৰে ৮ বজাত আৰম্ভ হ'ব। একেদৰে ছুটীৰ সময় ১২ বাজি ১৫ মিনিটৰ পৰিৱৰ্তে ১ বাজি ১৫ মিনিটলৈ বৃদ্ধি কৰা হৈছে। একেদৰে উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদান চাৰে ৭ বজাৰ পৰিৱৰ্তে চাৰে আঠ বজাত আৰম্ভ হ'ব আৰু ছুটীৰ সময় পূৰ্বৰ এক বজাৰ সলনি দুই বজাত হ'ব। ইতিমধ্যে ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকে সকলো জিলা শিক্ষা বিষয়ালৈ জাননী জাৰি কৰি শীঘ্ৰে এই সময়সূচী কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে।

০০০০

ৰাজ্যৰ বিভিন্ন স্থানত সদৌ ভাৰত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ ৬২ সংখ্যক দিৱস আজি উদযাপন কৰা হয়। গুৱাহাটীৰ নিকটৱৰ্তী পানীখাইটিৰ কেন্দ্ৰীয় গৃহৰক্ষী  বাহিনীৰ প্ৰশিক্ষণ কেন্দ্ৰত আয়োজিত গৃহৰক্ষী বাহিনী দিৱসত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্য আৰু অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে অংশগ্ৰহণ কৰে। দিৱস উপলক্ষে পেৰেড আৰু দুঃসাহসিক ক্ৰীড়াও প্ৰদৰ্শন কৰা হয়। তিনিচুকীয়া জিলাতো অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত গৃহৰক্ষী বাহিনী দিৱস উদযাপন কৰা হয়। দিৱস উপলক্ষে পুৱা ছাফাই অভিযান আয়োজিত হোৱাৰ লগতে গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ লগতে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা সজাগতা সমদল উলিওৱা হয়। বিয়লি স্বেচ্ছাসেৱকসকলে দুৰ্যোগ প্ৰশমন, সজাগতাৰ আখৰা কৰে।

০০০০

শিখ গুৰু টেগবাহাদুৰৰ ৩৬৮ সংখ্যক ছহিদী উপলক্ষে ধুবুৰীৰ ঐতিহ্যমণ্ডিত গুৰু টেগ বাহাদুৰ চাহিবজী গুৰুদ্বাৰাৰ পৰা আজি ধুবুৰী নগৰৰ মাজেৰে এটা নগৰ সংকীৰ্তন উলিওৱা হয়। সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে এখন পুস্পসজ্জিত বাহনেৰে শিখসকলৰ পবিত্ৰ ধৰ্মগ্ৰন্থ গুৰুগ্ৰন্থ চাহিব লৈ উলিওৱা এই শোভাযাত্ৰা দেশৰ বিভিন্ন  প্ৰান্তৰ পৰা অহা কেইবাহাজাৰো শিখ লোকে অংশগ্ৰহণ কৰে। ছহিদী উপলক্ষে গুৰুদ্বাৰাত আয়োজিত ৩ দিনীয়া কাৰ্যসূচীৰ আজি দ্বিতীয় দিনাও ধুবুৰী নগৰত উখল মাখল পৰিস্থিতিৰ সৃষ্টি হয় বুলি আমাৰ ধুবুৰীৰ সংবাদদাতাই জনাইছে।

০০০০

ওদালগুৰি জিলাত চৰকাৰী বিষয়াকে ধৰি বিভিন্ন লোকৰ পৰা ধন দাবী কৰা এটা অপৰাধী চক্ৰক যোৱা নিশা আৰক্ষীয়ে আটক কৰিবলৈ সমৰ্থ হৈছে। আজি টংলা আৰক্ষী থানাত আয়োজিত এখন সংবাদ মেলত আৰক্ষী অধীক্ষক পুষ্কিন জৈনে এই কথা সদৰি কৰি কয়, যে **লিবাৰেচন ফ্ৰণ্ট অব্ বড়োলেণ্ড** নামৰ এটা স্বয়ম্ভু সংগঠন বুলি পৰিচয় দি ভেৰগাঁৱৰ মহকুমাধিপতি আৰু কেইবাগৰাকীও উচ্চপদস্থ বিষয়ালৈ ধন দাবী পত্ৰ প্ৰেৰণ কৰা দাওহাৰু বড়ো নামৰ অপৰাধী চক্ৰটোৰ মূল নায়কজনক আৰক্ষীয়ে কালি আটক কৰে। ৪৪ বছৰীয়া দাওহাৰুৰ স্বীকাৰোক্তিৰ ভিত্তিত তেওঁৰ সহযোগী ওখৰাং বসুমতাৰী, চৰিদুৱাৰ থানাৰ গয়বাৰী গাঁৱৰ বুদ্ধদেৱ দৈমাৰীক আৰক্ষীয়ে আটক কৰে। আৰক্ষীৰ দলে ঘটনাৰ পম খেদি স্বয়ম্ভু সংগঠনটোৰ বাবে ধন দাবী পত্ৰ ছপা কৰা টংলাৰ বুৰলুং বুথুৰ ছপাশালৰ স্বত্বাধিকাৰী গকুল বসুমতাৰীকো আটক কৰে বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে।

০০০০

এডেলেইদত অনুষ্ঠিত দ্বিতীয় ক্ৰিকেট টেষ্টৰ আজি প্ৰথম দিনা ভাৰতৰ প্ৰথম ইনিংছৰ ১৮০ ৰাণৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই দিনান্তত এক উইকেটৰ বিনিময়ত ৮৬ ৰাণ সংগ্ৰহ কৰিছে। আজি ভাৰতৰ নিয়মীয়া অধিনায়ক ৰোহিত শৰ্মাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় যদিও মিছেল ষ্টাৰ্কৰ বিধবংসী বলিঙৰ সমুখত দ্ৰুত গতিত উইকেট হেৰুৱায়। ষ্টাৰ্কে ৪৮ ৰাণত ৬ টা উইকেট দখল কৰে। পে'ট কামিংছ আৰু স্কট বোলান্দে দুটাকৈ উইকেট দখল কৰে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৪২ আৰু কে এল ৰাহুলে ৩৭ ৰাণৰ বৰঙণি আগবঢ়ায়। অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছত একমাত্ৰ উইকেটটো যশপ্ৰীত বুমৰাই দখল কৰে।

০০০০

মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক বাসৱ শৰ্মাৰ আজি পুৱা মঙলদৈৰ জিতেন্দ্ৰ নগৰৰ নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত শৰ্মাৰ বয়স হৈছিল ৮৫ বছৰ। ছিপাঝাৰৰ ব্যাসপাৰা সেৱক হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক শৰ্মাই গোলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ধুবুৰী বালিকা হাইস্কুলতো শিক্ষকতা কৰিছিল। পৰৱৰ্তী সময়ত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক হিচাপে যোগদান কৰা শৰ্মাই ২০০১ চনত চাকৰি জীৱনৰ পৰা অৱসৰ লয়। তেওঁ মঙলদৈ চপাইৰ বানেশ্বৰ ডেকা প্ৰাথমিক বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক আছিল। শিক্ষকতাৰ লগতে বহু সামাজিক কামত জড়িত থকা শৰ্মাৰ মৃত্যুত মঙলদৈৰ বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০

কাৰ্বি আংলঙৰ বিশিষ্ট সাংবাদিক, চিত্ৰ নিৰ্মাতা তথা ক্ৰীড়া সংগঠক প্ৰদীপ তিছ্‌ৰ আজি উচ্চ চাপ জনিত ৰোগত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৫ বছৰ। তিছ্‌ কেইবাখনো তথ্য চিত্ৰ নিৰ্মাণৰ সৈতে জড়িত আছিল আৰু জিলাখনত উশ্বু খেলৰ প্ৰচাৰ আৰু প্ৰসাৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ **কাট নিউজ** নামৰ এটা নিউজ চেনেলৰ সম্পাদক ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০

সমাপ্ত